# অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থী ভায়োলিনা বড়োৰ কৃতিত্ব

**নুনমাটি, ৩ জানুৱাৰি :** অসম জাতীয় বিদ্যালয়ৰ দশম শ্ৰেণীৰ শিক্ষাৰ্থী ভায়োলিনা বড়োৱে কলিংগ ইনষ্টিটিউট অৱ ইণ্ডাষ্ট্ৰিয়েল টেকন'লজীয়ে আয়োজন কৰা ১৭সংখ্যক 'নন্‌হি পৰী লিট্‌ল মিছ ইণ্ডিয়া' প্ৰতিযোগিতাত ২০১৭ বৰ্ষৰ বাবে দেশৰ ভিতৰতে প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হৈছে। যোৱা ২৮ ডিচেম্বৰৰ পৰা ৩০ ডিচেম্বৰলৈ ভূবনেশ্বৰৰ ওড়িশাত অনুষ্ঠিত এই প্ৰতিযোগিতাত ১৩ বছৰৰ পৰা ১৬ বছৰৰ ভিতৰৰ শাখাত অংশগ্ৰহণ কৰি দেশৰ ৩৩ গৰাকী প্ৰতিযোগীৰ ভিতৰত প্ৰথম স্থান লাভ কৰে। খেল, সাধাৰণ জ্ঞান, টেলেণ্টচাৰ্জ, কেটওৱাক আদি বিভিন্ন শাখাত সুখ্যাতি অৰ্জন কৰি ছাত্ৰীগৰাকীয়ে এই সন্মান কঢ়িয়াই আনে। পুৰস্কাৰ হিচাপে ছাত্ৰীগৰাকীয়ে মুঠ ২১ লাখ টকা লাভ কৰে। ইয়াৰে তিনি লাখ টকা নগদ আৰু বাকী ১৮ লাখ টকা ভূবনেশ্বৰৰ কীট বিশ্ববিদ্যালয়ৰ পৰা প্ৰতিমাহে জলপানি হিচাপে যোগান ধৰিব বুলি কৰ্তৃপক্ষই জানিবলৈ দিছে। ভায়োলিনা বড়ো ৰূপনগৰ নিবাসী ৰামকান্ত বড়ো আৰু গীতা কুমাৰী বড়োৰ কন্যা। ভাৰত নাট্যম, সত্ৰীয়া নৃত্য, আধুনিক নৃত্যৰ শিল্পী ভায়োলিনাৰ কৃতিত্বই সমগ্ৰ অসম তথা ৰূপনগৰ অঞ্চল আৰু অসম জাতীয় বিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিছে।

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-২০